# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-09-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

## ***Headlines***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজস্থানৰ বাঞ্চৱাৰাত এক লাখ ২২ হাজাৰ কোটি টকাতকৈও অধিক ব্যয় সাপেক্ষ উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

২। দেশৰ বিত্তীয় ব্যৱস্থাটো পৰিচালিত কৰি থকা বিত্তীয় সংস্থাসমূহে দেশখনৰ অৰ্থনীতিৰ বিকাশত যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে বুলি কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে মন্তব্য কৰে।

৩। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিঙে আজি ছিকিম উদ্যান শস্য মহাবিদ্যালয়ৰ নতুন প্ৰশাসনিক আৰু শৈক্ষিক ভৱন উদ্বোধন কৰে।

৪। ভাৰতীয় জনতা পাৰ্টীয়ে আজিৰে পৰা সমগ্ৰ দেশতে আত্মনিৰ্ভৰ ভাৰত আৰু **হৰ ঘৰ স্বদেশী** অভিযানৰ শুভাৰম্ভ কৰে।

*আৰু*

৫। এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ ফ'ৰ পৰ্যায়ৰ এখন খেলত আজি বাংলাদেশ পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজস্থানৰ বাঞ্চৱাৰাত এক লাখ ২২ হাজাৰ কোটি টকাতকৈও অধিক ব্যয় সাপেক্ষ উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে মাহী বান্ধৰ সমীপৰ নাপলাত মাহী বাঞ্চৱাৰা ৰাজস্থান পাৰমাণৱিক শক্তি প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পটোত ৭০০ মেগাৱাট পাৰমাণৱিক শক্তি সম্পন্ন চাৰিটা গোট সামৰি লোৱা হ'ব আৰু ইয়াৰ নিৰ্মাণ ব্যয় ৪২ হাজাৰ কোটি টকা ধাৰ্য্য কৰা হৈছে। প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে এহেজাৰ কোটি টকা ব্যয় সাপেক্ষ সৌৰ শক্তি, খোৱাপানী, স্বাস্থ্য, আন্তঃগাঁথনি আৰু ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ সম্পৰ্কীয় কেইবাটাও প্ৰকল্প মুকলি কৰে। ইয়াৰ উপৰি প্ৰধানমন্ত্ৰীয়ে ৰাজ্যখনত তিনিটা নতুন ৰে'ল সেৱাৰ শুভাৰম্ভ কৰে।

এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে এখন জনসভাত অংশগ্ৰহণ কৰে। শেহতীয়া জি এছ্ টি সংস্কাৰ ব্যৱস্থাত আলোকপাত কৰি শ্ৰী মোদীয়ে কয়, যে ইয়াৰ ফলত দৈনন্দিন ব্যৱহাৰ্য্য সামগ্ৰীসমূহ সস্তাত পোৱাৰ লগতে ঘৰুৱা ব্যয় হ্ৰাস পাব। জি এছ্ টি সন্দৰ্ভত মিছা তথ্য বিয়পোৱা বুলি প্ৰধানমন্ত্ৰীয়ে বিৰোধীক সমালোচনা কৰাৰ লগতে কয়, যে জি এছ্ টি সংস্কাৰে সমাজৰ সকলো শ্ৰেণীৰ লোককে লাভান্বিত কৰাৰ লগতে পৰিয়ালসমূহত সঞ্চয় নিশ্চিত কৰিব। আত্মনিৰ্ভৰ ভাৰত সন্দৰ্ভত আলোকপাত কৰি শ্ৰী মোদীয়ে নাগৰিকসকলক স্বদেশী সামগ্ৰী ক্ৰয় কৰাৰ বাবে

আহ্বান জনায়। স্বদেশী সামগ্ৰী সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়ে কয়, যে ভাৰতৰ নাগৰিকৰ ঘাম আৰু পৰিশ্ৰমৰ ফল এই স্বদেশী সামগ্ৰীসমূহ ৰাষ্ট্ৰীয় গৌৰৱৰ থল হোৱাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে কয়, যে ভাৰতৰ শক্তি খণ্ডত ৰাজস্থানে নতুন অধ্যায়ৰ সূচনা কৰিছে। সৌৰ শক্তিৰ পৰা পাৰমাণৱিক শক্তিলৈ দেশৰ প্ৰগতিত গুৰুত্ব আৰোপ কৰি প্ৰধানমন্ত্ৰীয়ে উন্নয়নৰ ক্ষেত্ৰত বিদ্যুতৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয়, যে পূৰ্বৰ চৰকাৰসমূহে শক্তিখণ্ডৰ প্ৰতি অৱহেলাৰ মনোভাব লৈছিল। কিন্তু যোৱা দশকত শক্তিখণ্ডত যথেষ্ট বিকাশ হৈছে। তেওঁ কয়, যে স্বচ্ছ শক্তি জন আন্দোলনলৈ ৰূপান্তৰিত হৈছে। জনজাতীয় কল্যাণৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে কয়, যে কংগ্ৰেছে জনজাতিসমূহক দীৰ্ঘদিন ধৰি অৱহেলা কৰি আহিছে। কিন্তু বিজেপি চৰকাৰে জনজাতিসকলৰ কল্যাণ, সৱলীকৰণ আৰু সংস্কৃতিক সংৰক্ষণৰ বাবে অহৰহ কাম কৰি আহিছে।

ooooooo

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে কয়, যে দেশৰ বিত্তীয় ব্যৱস্থাটো পৰিচালিত কৰি থকা বিত্তীয় সংস্থাসমূহে দেশখনৰ অৰ্থনীতিৰ বিকাশত যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তেওঁ কয়, যে দেশখনৰ অৰ্থব্যৱস্থাটো অধিক শক্তিশালী কৰি তুলিবলৈ বেংকসমূহে অনাগত দিনবোৰত পূৰ্বতকৈ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব। পুনেত অনুষ্ঠিত বেংক অব্ মহাৰাষ্ট্ৰৰ ৯১ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ বিশেষ অনুষ্ঠানত ভাষণ প্ৰদান কৰি বিত্তমন্ত্ৰীগৰাকীয়ে কয়, যে বেংকসমূহে নতুন উদ্ভাৱনৰ জৰিয়তে অৰ্থনীতিখনৰ শ্ৰীবৃদ্ধিত অৰিহণা যোগাব পাৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ **নাগৰিক দেব ভব** ধাৰণাক সন্মান জনাই শ্ৰীমতী সীতাৰমণে কয়, যে কৰ আৰু বেংক ব্যৱস্থাৰ আঁচনিসমূহ উপভোক্তা কেন্দ্ৰিক হোৱাটো প্ৰয়োজনীয়। এই অনুষ্ঠানত বিত্তমন্ত্ৰীগৰাকীয়ে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে বানেৰত এটা নতুন কাৰ্যালয় উদ্বোধন কৰাৰ লগতে **জেন লাইফ** শীৰ্ষক এটা ম'বাইল বেংকিং এপ্লিকেচন মুকলি কৰে।

ooooooo

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিঙে আজি নতুন দিল্লীৰ পৰা ছিকিম উদ্যান শস্য মহাবিদ্যালয়ৰ নতুন প্ৰশাসনিক আৰু শৈক্ষিক ভৱন ভাৰ্চুৱেল মাধ্যমেৰে উদ্বোধন কৰে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰী শ্ৰী সিঙে কয়, যে ৫২ কোটি টকা ব্যয় সাপেক্ষ এই প্ৰকল্পই ছিকিমৰ শিক্ষাৰ্থী, খেতিয়ক আৰু সমগ্ৰ উত্তৰ-পূব অঞ্চলক এটা নতুন গতি দিব। তেওঁ লগতে কয়, যে শিক্ষাৰ্থীসকলে কেৱল শস্য উৎপাদনৰ কৌশলেই নহয়, ইয়াৰ প্ৰচেছিং, পেকেজিং, বজাৰ আৰু ৰপ্তানি সন্দৰ্ভতো গভীৰ জ্ঞান লাখ কৰিব। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে, সেউজ অৰ্থনীতিৰ ক্ষেত্ৰত এই চৌহদটো ৰাজ্যখনৰ এক আদৰ্শ আৰ্হি হিচাপে গঢ়ি তোলা হ'ব।

ooooooo

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে আজি পণ্ডিত দীনদয়াল উপাধ্যায়ৰ জন্ম-জয়ন্তীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সামাজিক মাধ্যম যোগে দিয়া এটা বাৰ্তাত উপৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে পণ্ডিত দীনদয়াল উপাধ্যায়ে অত্যন্ত সৰল আৰু গভীৰ চিন্তাৰে জীৱন অতিবাহিত কৰিছিল। মৃত্যুৰ সময়ত তেওঁৰ জেপত মাত্ৰ পাঁচ টকাহে আছিল। তেওঁ সংস্কৃতি, কৰুণা আৰু মানৱতাবাদেৰে আৱেষ্টিত এখন ভাৰতৰ কল্পনা কৰিছিল। তেওঁ ভাৰতৰ এজন প্ৰকৃত সেৱক আছিল। উপাধ্যায়ক স্মৰণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে ভাৰত মাতৃৰ তেওঁ এখন মহান পুত্ৰ তথা মানৱতাবাদৰ পৃষ্ঠপোষক আছিল। শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি সামাজিক মাধ্যমযোগে প্ৰদান কৰা এটা বাৰ্তাত শ্ৰী মোদীয়ে

কয়, যে তেওঁৰ জাতীয়তাবাদী মনোভাৱে  দেশখনক সমৃদ্ধিৰ দিশত অগ্ৰসৰ কৰিলে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি তথা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাইও নতুন দিল্লীত নেতাগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

০০০০০০০

ভাৰতীয় জনতা পাৰ্টীয়ে আজিৰে পৰা সমগ্ৰ দেশতে আত্মনিৰ্ভৰ ভাৰত আৰু **হৰ ঘৰ স্বদেশী** অভিযানৰ শুভাৰম্ভ কৰে। নতুন দিল্লীত আয়োজিত এখন সংবাদমেলত দলৰ সাধাৰণ সম্পাদক অৰুণ সিঙে এই কথা ঘোষণা কৰি কয়, যে এই অভিযান প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ জয়ন্তী, ২৫ ডিচেম্বৰ, ২০২৫লৈ চলি থাকিব। তেওঁ লগতে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০৪৭ চনলৈ এখন বিকশিত ভাৰত নিৰ্মাণৰ সংকল্প গ্ৰহণ কৰিছে আৰু এই লক্ষ্য প্ৰাপ্তিৰ পথ আত্মনিৰ্ভৰ ভাৰত অভিযানৰ জৰিয়তে সম্ভৱপৰ হ'ব। সংবাদমেলত শ্ৰী সিঙে কয়, যে ৯০ দিনৰ এই অভিযানৰ দ্বাৰা বিজেপি আৰু ইয়াৰ কৰ্মকৰ্তাসকলে সমগ্ৰ দেশৰ জনসাধাৰণৰ সৈতে সম্পৰ্ক স্থাপন কৰিবলৈ সমৰ্থ হ'ব আৰু তেওঁলোকক স্বদেশী সামগ্ৰী উৎপাদন আৰু ইয়াৰ সমৰ্থন কৰিবলৈ উৎসাহ প্ৰদান কৰিব।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈ নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱন সাংস্কৃতিক কেন্দ্ৰত আয়োজিত এটা অনুষ্ঠানত সন্মানীয় ৰাষ্ট্ৰীয় ভূ-বিজ্ঞান বঁটা, ২০২৪ প্ৰদান কৰিব। ৰাষ্ট্ৰীয় ভূ-বিজ্ঞান বঁটা দেশৰ পুৰণি আৰু সন্মানীয় বঁটাসমূহৰ ভিতৰত অন্যতম। ভূ-বিজ্ঞানৰ বিভিন্ন ক্ষেত্ৰত অসাধাৰণ কৃতিত্ব আৰু অৱদান আগবঢ়োৱাৰ বাবে ব্যক্তিগত আৰু দলীয়ভাৱে এই সন্মান আগবঢ়োৱা হয়। খনি মন্ত্ৰালয়ে প্ৰত্যেক বছৰে তিনিটা শাখাত এই বঁটাসমূহ প্ৰদান কৰে। এই বঁটাসমূহ হৈছে – আজীৱন কৃতিত্বৰ বাবে ৰাষ্ট্ৰীয় ভূ-বিজ্ঞান বঁটা, ৰাষ্ট্ৰীয় ভূ-বিজ্ঞান বঁটা আৰু ৰাষ্ট্ৰীয় যুৱ ভূ-বিজ্ঞানী বঁটা।

অনুষ্ঠানত কেন্দ্ৰীয় কয়লা আৰু খনি মন্ত্ৰী জি কিষাণ ৰেড্ডী আৰু ৰাজ্য মন্ত্ৰী সতীশ চন্দ্ৰ ডুবেও উপস্থিত থাকিব।

০০০০০০০

বিজেপিয়ে আজি সমাগত বিহাৰ বিধানসভা নিৰ্বাচনৰ বাবে কেন্দ্ৰীয় মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানক দলৰ নিৰ্বাচনী দায়িত্বভাৰ অৰ্পণ কৰিছে। দলে কেন্দ্ৰীয় মন্ত্ৰী চি আৰ পাটিল আৰু উত্তৰ প্ৰদেশৰ উপ-মুখ্যমন্ত্ৰী কেশৱ প্ৰসাদ মৌৰ্যক নিৰ্বাচনী দায়িত্বভাৰ অৰ্পণ কৰিছে।

০০০০০০০

ভাৰতে নিৰ্ধাৰিত সময়ৰ পূৰ্বে জৈৱ ইন্ধন আহৰণৰ ক্ষেত্ৰত ২০ শতাংশ সফলতা লাভ কৰিছে বুলি কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে আজি প্ৰকাশ কৰে। নতুন দিল্লীত অনুষ্ঠিত ৱৰ্ল্ড হাইড্ৰ'জেন ইণ্ডিয়া সন্মিলনত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে এই তথ্য প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে ভাৰতে ২০৩০ চনৰ ভিতৰত পাঁচ মিলিয়ন টন সেউজ হাইড্ৰ'জেন উৎপাদনৰ সামৰ্থ লাভ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। মন্ত্ৰী শ্ৰী সিঙে কয়, যে সেউজ হাইড্ৰ'জেন গেছে ভৱিষ্যতৰ ইন্ধন আৰু ইয়াৰ জৰিয়তে স্থানীয় চাহিদা, স্থানীয় উৎপাদন আদি সম্ভৱ হ'ব।

০০০০০০০

জম্মু-কাশ্মীৰৰ জম্মুৰ আৰ এছ পুৰা সীমান্তত আজি এজন পাকিস্তানী সন্ত্ৰাসবাদীক আটক কৰা হৈছে। আকাশবাণীৰ জম্মুৰ সংবাদদাতাই জনোৱা মতে তহলদাৰী সীমান্ত সৰক্ষা বাহিনীৰ জোৱানে পাকিস্তানৰ দিশৰ পৰা অহা এগৰাকী ব্যক্তিক ভাৰতৰ ভূখণ্ডত প্ৰৱেশ কৰাৰ পাছতে কৰায়ত্ব কৰে। এয়া হৈছে চলিত মাহত সীমান্ত সুৰক্ষা বাহিনীৰ জোৱানে দ্বিতীয়গৰাকী পাকিস্তানী লোকক আটক কৰাৰ ঘটনা। যোৱা ৮ ছেপ্তেম্বৰত আৰ এছ পুৰা অঞ্চলৰ অক্টৰৈৰ পৰা আন এজন পাকিস্তানী নাগৰিকক আটক কৰিছে।

০০০০০০০

এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ভাৰতৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া দল আজি চূড়ান্ত হ'ব। প্ৰতিযোগিতাত আজি নিশা ৮ বজাত ছুপাৰ ফ'ৰ পৰ্যায়ৰ এখন খেলত বাংলাদেশ পাকিস্তানৰ মুখামুখি হ'ব। খেলখন ডুবাই আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

ভাৰতে যোৱা নিশা ছুপাৰ ফ'ৰ পৰ্যায়ৰ নিজৰ দ্বিতীয়খন খেলত বাংলাদেশক ৪১ ৰাণত পৰাস্ত কৰে।

০০০০০০০

সমাপ্ত